জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৬৫/২০২২**

# ভাৰতীয় উদ্যোগ আৰু বাণিজ্য মহাসংঘৰ প্ৰতিনিধিবৰ্গৰ সৈতে মুখ্যমন্ত্ৰীৰ গুৰুত্বপূৰ্ণ বৈঠক

## অসমক বিনিয়োগৰ এক ক্ষেত্ৰ হিচাপে অগ্ৰাধিকাৰ দিবলৈ উদ্যোগ গোষ্ঠীৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১৭ ফেব্ৰুৱাৰী ঃ** মুম্বাই ভ্ৰমণৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইৰ টাজ চেম্বাৰত ভাৰতীয় উদ্যোগ আৰু বাণিজ্য মহাসংঘৰ বিষয়ববীয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

অসমত বিনিয়োগৰ সম্ভাৱনীয়তা সম্পৰ্কত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এক প্ৰেজেণ্টেশ্যন দাঙি ধৰাৰ পিছত মুখ্যমন্ত্ৰী ড° শৰ্মাই উদ্যোগপতিসকলক অসমক বিনিয়োগৰ ক্ষেত্ৰ হিচাপে অগ্ৰাধিকাৰ প্ৰদান কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে ৰাজ্যখনত উদ্যোগ খণ্ডক অধিক আগুৱাই নিয়া আৰু বিনিয়োগকাৰীসকলক উৎসাহিত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে দেশৰ ভিতৰতে সৰলতম উদ্যোগ নীতি গ্ৰহণ কৰিছে। ৰাজ্যখনত বিনিয়োগৰ বাবে আগবাঢ়ি অহা উদ্যোগীসকলক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰয়োজন অনুসাৰে সাল-সলনি কৰিব পৰা উদ্যোগ নীতিৰ সুযোগ, মূলধনীৰ ৰাজ সাহায্য আদি সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ উদ্যোগপতিসকলক অৱগত কৰে।

ভাৰতীয় উদ্যোগ আৰু বাণিজ্য মহাসংঘৰ উত্তৰ-পূৰ্বাঞ্চলৰ উপদেষ্টা পৰিষদৰ অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰে আতধৰা আজিৰ এই বৈঠকত ভাৰতীয় উদ্যোগ আৰু বাণিজ্য মহাসংঘৰ অধ্যক্ষ সঞ্জীৱ মেহতা, উপাধ্যক্ষ আনিশ শ্বাহ (পৰিচালন সঞ্চালক-মুখ্য কাৰ্যবাহী বিষয়া, মাহিন্দ্ৰা এণ্ড মাহিন্দ্ৰা), গোগ'ল ইণ্ডিয়াৰ কাণ্ট্ৰি মেনেজাৰ তথা উপাধ্যক্ষ সঞ্জয় গুপ্তা, জে কে এণ্টাৰপ্ৰাইজৰ মুখ্য কাৰ্যবাহী বিষয়া আনন্দ সিংহানীয়া, ডিয়াগো ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰথমেশ মিশ্ৰ, চাৰাফ হোটেল এণ্টাৰপ্ৰাইজৰ অধ্যক্ষ অমিত চাৰাফ, সত্যগিৰি গ্ৰুপৰ অধ্যক্ষ দীনেশ যোশী প্ৰমুখ্যে দেশৰ অগ্ৰণী উদ্যোগ গোষ্ঠীৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

আজিৰ এই মত-বিনিময়ৰ সময়ত ৰাজ্য চৰকাৰৰ কেইবাগৰাকী উচ্চপদস্থ বিষয়া উপস্থিত আছিল।

**প্ৰঃকুঃবঃ**
**১৭-২-২০২২**